**20-06-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি**!** "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – তোমালোকৰ অবিনাশী জ্ঞান ৰত্নৰ সীমাহীন সম্পদ আছে, তোমালোকে সেয়া দান কৰা, তোমালোকৰ দুৱাৰডলিৰ পৰা কোনেও উভতি যোৱা অনুচিত"**

প্ৰশ্ন: সকলো সম্বন্ধৰ চেক্ৰিন (অতিকৈ মিঠা) পিতাই নিজৰ সন্তানসকলক কোনটো শ্ৰীমত দিয়ে?

উত্তৰ: মৰমৰ সন্তানসকল – নিজৰ বুদ্ধিৰ যোগসূত্ৰ সকলো ফালৰ পৰা আঁতৰাই একমাত্ৰ মোক স্মৰণ কৰা। জগতৰ কোনো বস্তু, মিত্ৰ-সম্বন্ধীয় আদি যাতে স্মৃতিলৈ নাহে কিয়নো এই সময়ত সকলো দুখ দিওঁতা হয়। বিশ্বৰ মালিক হ'ব লাগে সেয়েহে 63 জন্মৰ হিচাপ-নিকাচ নিষ্পত্তি কৰিবলৈ নিশ্চয় যত্ন কৰিবলগীয়া হয়। সকলো পাহৰি অশৰীৰী হোৱা তেতিয়া হিচাপ-নিকাচ নিষ্পত্তি হ'ব। মই সকলো সম্বন্ধৰ চেক্ৰিন হওঁ।

ওঁম্ শান্তি। বাপদাদাই সন্তানসকলক সোধে যে কাৰ স্মৃতিত বহি আছা? (শিৱবাবাৰ) গুঞ্জৰিত স্বৰেৰে কোৱা উচিত – শিৱবাবাৰ স্মৃতিত বহি আছোঁ। তোমালোক সন্তানসকলৰ অৰ্থাৎ আত্মাসকলৰ সম্পৰ্ক শিৱবাবাৰ সৈতে। তোমালোক এওঁৰ (ব্ৰহ্মাৰ) দ্বাৰা শিৱবাবাৰ হোৱা, কিয়নো শিৱবাবাই এওঁৰ দ্বাৰাহে সাক্ষাৎ কৰে। এওঁক মাজতে দাদাল বুলিও কোৱা হয়। তোমালোকৰ দালালৰ লগত কোনো সম্পৰ্ক নাই। এওঁতো কেৱল মাজত মাধ্যম হয়। সকলোৰে লেন-দেনৰ হিচাপ পিতাৰ লগত হ'ব, এওঁৰ লগত নহয়। এওঁৰো লেন-দেন পিতাৰ লগত। এৱোঁ সেইজন পিতাক (শিৱবাবাক) কয় – বাবা মোৰ সকলো আপোনাৰ। তোমালোকৰো এটা নিশ্চয়তাতো এয়া যে আমি আত্মা আৰু দ্বিতীয়তে এইটোও নিশ্চয়তা আছে যে আমি আত্মাসকলে এতিয়া পৰমপিতা পৰমাত্মাৰ পৰা উত্তৰাধিকাৰ লৈ আছোঁ। মন-বাণী-কৰ্ম, তন-মন-ধনেৰে আমি শিৱবাবাৰ সহায়কাৰী হওঁ। এই সকলোবোৰ শিৱবাবাক অৰ্পণ কৰা হৈছে। আকৌ শিৱবাবাই নিৰ্দেশনা দিয়ে – এনেকৈ এনেকৈ এয়া কৰা। ইয়াক কোৱা হয় শ্ৰীমত। পিতাই নিজেই কয় – মই এই পুৰণি শৰীৰত প্ৰৱেশ কৰোঁ। এৱোঁ পতিতৰ পৰা পাৱন হৈ আছে। এয়া কোনে ক'লে? শিৱবাবাই। এৱোঁ পাৱন হৈ আছে। এওঁৰো মোৰ লগত হিচাপ-নিকাচ আছে। এওঁৰ লগত কাৰো হিচাপ-নিকাচ নাই। তোমালোকে চিঠি লিখা – শিৱবাবা মাৰফৎ ব্ৰহ্মা। কিন্তু মায়া এনেকুৱা যে নিৰন্তৰ স্মৰণ কৰিবলৈ নিদিয়ে। বুদ্ধিৰ যোগসূত্ৰ বাৰে বাৰে ছিঙি দিয়ে। যদি এইটোৱে দৃঢ়তাৰে পুৰুষাৰ্থ কৰা তেন্তে আকৌ অন্য সকলো পাহৰি যাবা। শৰীৰো পাহৰি যাবা। এই শৰীৰ থাকিব কিন্তু আত্মাৰ এই সকলো বস্তুৰ প্ৰতি ঘৃণা জন্মিব। এইটো অৱস্থা গঢ়িবলৈ অভ্যাস কৰিবলগীয়া হয়। অন্তিমত যাতে আমাৰ নিজৰ শৰীৰো স্মৃতিলৈ নাহে। পিতাই কয় – নিজক অশৰীৰী বুলি বুজি মোক পিতাক স্মৰণ কৰা। মই সৰ্বদা অশৰীৰী হওঁ, তোমালোকো অশৰীৰী আছিলা। আকৌ তোমালোকে ভূমিকা পালন কৰিলা। এতিয়া পুনৰ তোমালোকে ভূমিকা পালন কৰিব লাগে, এইটো পৰিশ্ৰম আছে। বিশ্বৰ মালিক হোৱাতো কোনো কম কথা নেকি? মনুষ্যহে বিশ্বৰ মালিক হ'ব পাৰে। এই দেৱতাসকলো মনুষ্য, কিন্তু এওঁলোকক দৈৱীগুণধাৰী দেৱতা বুলি কোৱা হয়। লক্ষ্মী-নাৰায়ণ বিশ্বৰ মালিক আছিল, তেওঁলোকৰ নিজৰ সন্তান থাকিব। সেই সন্তানেহে তেওঁলোকক (লক্ষ্মী-নাৰায়ণক) মা-পিতা বুলি মানিব। কিন্তু আজিকালি মনুষ্যই অন্ধশ্ৰদ্ধাৰে এই লক্ষ্মী-নাৰায়ণক "ত্বমেৱ মাতাশ্চ পিতা..." (তুমিয়েই মাতা-পিতা…) বুলি কয়। বাস্তৱত এই মহিমা হৈছে শিৱবাবাৰ। দেৱতাসকলৰ মহিমা গোৱা হয় – আপোনালোক সৰ্বগুণ সম্পন্ন... কিন্তু তেওঁলোকৰ পূজা কিয় কৰে, এইটো কোনেও গম নাপায়। এতিয়া তোমালোকে এনেকৈ মহিমা গায়ন নকৰা যে তুমি মাতা-পিতা... অৱশ্যে হয় তোমালোকে জানা যে শিৱবাবা তেওঁ নিৰাকাৰ পৰমপিতা পৰমাত্মা হয়। তেওঁৰ পৰাহে অপাৰ সুখ পোৱা যায়। বাকী যি সম্বন্ধীয় আদি আছে তেওঁলোকৰ পৰা দুখহে পোৱা যায়।

এয়াতো এজনেই চেক্রিন, যাৰ পৰা সৰ্ব সম্বন্ধৰ ৰস পোৱা যায় সেইবাবে পিতাই কয় – মামা, ককা, খুৰা আদিৰ সকলোৰে পৰা বুদ্ধিৰ যোগসূত্ৰ আঁতৰাই মামেকম্ (কেৱল মোক; পৰমপিতাক) স্মৰণ কৰা। তোমালোকে গায়নো কৰা – দুখ হৰ্তা, সুখ কৰ্তা... সকলোৰে সৎগতিদাতা এজনেই, তেৱেঁই আমাৰ সকলো। লৌকিক পিতাৰ পৰাও দুখ পোৱা যায়। বাকী শিক্ষকে কাকো দুখ নিদিয়ে। শিক্ষকৰ ওচৰত গৈ পঢ়ি তোমালোকে শৰীৰ নিৰ্বাহ কৰা। কলা-কৌশল শিকাওঁতাও থাকে। তেওঁলোক সকলোৱে অল্পকালৰ বাবে শিকায়। ভক্তিতো মহিমা এজন ৰাম অথবা পৰমপিতা পৰমাত্মাৰহে কৰে, তেওঁকে স্মৰণ কৰে। বাস্তৱত ভক্তিও এজনৰে কৰিব লাগে। সেই এজনেই তোমালোকক পূজ্য কৰি তোলে। তোমালোকে প্ৰথমতে এজন শিৱবাবাৰ পূজা কৰা। তাকে সতোপ্ৰধান ভক্তি বুলি কোৱা হয়। আকৌ আত্মাও সতোপ্ৰধানৰ পৰা সতো, ৰজো, তমো হয়। তোমালোকে বুজি পোৱা – আমি পূজাৰী হওঁ। তোমালোকে প্ৰথমতে এক শিৱৰহে পূজা কৰা, পাছত কলা কম হৈ গৈ থাকে। ভক্তিও সতোপ্ৰধানৰ পৰা সতো, ৰজো, তমো হৈ যায়। গোটেই নাটকখন তোমালোকক লৈয়ে ৰচি থোৱা আছে। নিজেই পূজ্য নিজেই পূজাৰী, যিয়ে পূৰা 84 জন্ম লয়, তেওঁলোকৰে কাহিনী। তেওঁলোকক পিতাই বহি কয় – তোমালোকে 84 জন্ম কেনেকৈ লৈছা। হিচাপ তেওঁলোকৰেই। যিয়ে প্ৰথমতে পূজ্য দেৱী-দেৱতা হয়, তেওঁলোকেই পূজাৰী হয়। পিতাই কয় – মই কল্পই কল্পই আহি তোমালোকক পঢ়াওঁ আৰু দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা কৰোঁ, ৰাজযোগ শিকাওঁ। গীতাত ভুলতে শ্ৰীকৃষ্ণ ভগৱানুবাচ বুলি লিখি দিছে। ভগৱানতো এজনেই। তেওঁলোকেতো কয় – শিল-পাথৰ, কণ কণত পৰমাত্মা আছে। কিন্তু এনেকুৱাতো হ'ব নোৱাৰে। ভগৱানৰতো মহিমা অপৰমঅপাৰ। এনেকৈ কয় – হে বাবা, আপোনাৰ গতি মত অনন্য অৰ্থাৎ আপোনাৰ যি শ্ৰীমত পাওঁ সেয়া সকলোতকৈ অনন্য। পিতাক কয়েই – গতি সৎগতিদাতা পৰমপিতা পৰমাত্মা, তেতিয়া বুদ্ধি ওপৰলৈ যায়। দুখৰ সময়ত তেওঁৰহে স্মৃতি আহে। যদি ৰাম-সীতা বুদ্ধিত থাকে তেতিয়াতো গোটেই ৰামায়ণ বুদ্ধিলৈ আহি যাব। তোমালোকেতো সেই এজন পিতাকেই আহ্বান কৰা। এজন পিতাৰ বাহিৰে কোনো সাকাৰী মনুষ্য বা আকাৰী দেৱতাৰ সৈতে বুদ্ধি লগাব নালাগে। পতিত-পাৱন হয়েই এজন পিতা। যিকোনো সৎসংগত গৈ এয়াই গায় – পতিত-পাৱন সীতাৰাম, অৰ্থ একো নাই। এই সকলোবোৰ হ'ল – ভক্তি মাৰ্গৰ গায়ন। সকলো ৰাৱণৰ কাৰাগাৰত আছে। ভক্তিমাৰ্গত বহুত হাবাথুৰি খায়। ইয়াত হাবাথুৰি খোৱাৰ কোনো কথা নাই। পিতাই বুজায়, সন্তানসকলে সাৰ কথাবোৰ ভালদৰে বুদ্ধিত ধাৰণ কৰিব লাগে, নিয়মীয়াকৈ পঢ়িব লাগে। যদি কিবা কাৰণত ৰাতিপুৱা আহিব নোৱাৰা তেন্তে দুপৰীয়া আহি যাব লাগে। কাকো বিৰক্তও কৰিব নালাগে। গোটেই দিনটো পৰি আছে। যিকোনো সময়ত গৈ পঢ়িব লাগে। এই কন্যাসকল ৰাতিপুৱাৰ পৰা গধূলিলৈ সেৱাত হাজিৰ আছে। গোটেই দিন সেৱাকেন্দ্ৰ খোলা থাকে। যিয়েই আহে, তেওঁলোকক ৰাস্তা দেখুৱাব লাগে। প্ৰথমতেতো ক'ব লাগে – বিচাৰ কৰা, তোমালোকৰ দুজন পিতা আছে। দুখত পাৰলৌকিক পিতাক স্মৰণ কৰা নহয়। এতিয়া শিৱবাবাই কয়, মামেকম্ স্মৰণ কৰা। মৃত্যুতো সমাগত। এয়া সেয়াই মহাভাৰতৰ যুদ্ধ। যদিও পদমপতি, কোটিপতি আছে, ডাঙৰ ডাঙৰ অট্টালিকা আদি নিৰ্মাণ কৰে, কিন্তু সেয়া জানো থাকিব, এই সকলোবোৰ খহি পৰিব। তেওঁলোকে ভাবে – কলিযুগৰ আয়ুস লাখ লাখ বছৰ। ইয়াক কোৱা হয় – ঘোৰ অন্ধকাৰ। কাৰোবাৰ পইচা আছে, সোধে, ঘৰ নিৰ্মাণ কৰোঁনে। বাবাই ক'ব, যদি পইচা আছে তেন্তে নিৰ্মাণ কৰি লোৱা। পইচাওতো মাটিত মিলি যাব। এয়াতো অস্থায়ী। নহ'লেতো এই সকলো পইচা আদিও গুচি যাব। একোৱে নাথাকিব, লাগিলে ঘৰ নিৰ্মাণ কৰা। আকৌ তাত গীতা পাঠশালাৰ ব্যৱস্থা কৰা। যেতিয়া তোমালোকৰ দুৱাৰডলিলৈ কোনোবা আহে তেওঁলোকক এনেকুৱা ভিক্ষা দিয়া যাতে তেওঁলোকক একেবাৰে বিশ্বৰ মালিক কৰি দিয়া। তোমালোকৰ সীমাহীন জ্ঞান ধন আছে, ইমান কাৰো নাই। তোমালোকৰ মাজত সকলোতকৈ ধনৱান তেওঁ যাৰ বুদ্ধি বহুত জ্ঞান ৰত্নৰে ভৰি আছে। যিয়েই আহে তেতিয়া তোমালোকে তেওঁৰ জোলোঙা ভৰপূৰ কৰি দিয়া। তোমালোকৰ ওচৰত ইমান সম্পদ আছে। কেৱল এয়া ফলক আঁৰি দিয়া – আহক, আমি আপোনালোকক সৰ্বদা সুখী স্বৰ্গৰ উত্তৰাধিকাৰ পোৱাৰ ৰাস্তা দেখুৱাম। কিন্তু সন্তানসকলৰ সেইটো নিচা নাথাকে। ইয়াত নিচা বাঢ়ে, বাহিৰলৈ গ'লে পাহৰি

যায়। চখ থকা উচিত। যিয়েই আহে, তেওঁলোকক ৰাস্তা দেখুওৱা যাতে নাও পাৰ হৈ যায়। তোমালোকৰ বহুত মূল্যৱান ধন আছে। কোনোবা ভিকহু আহক অথবা লাখপতি আহক তোমালোকে তেওঁলোককো বহুত ৰত্ন দিব পাৰা। বাবাই ইয়াত নিচা বঢ়ায়, আকৌ চ'ডা-পানী (খন্তেকতে নোহোৱা) হৈ যায়। বাবাই অবিনাশী জ্ঞান ৰত্নেৰে তোমালোকৰ জোলোঙা ভৰপূৰ কৰি দিয়ে। কিন্তু ক্ৰমানুসৰি। কাৰোবাৰ ভাগ্যত থাকিলে তেতিয়া সম্পূৰ্ণ ৰীতিৰে ধাৰণ কৰি লয়। বাবাই কয় – চেষ্টা কৰি তোমালোক নিৰন্তৰ স্মৃতিত থাকা। এনেকুৱা নহয় যে সেৱাকেন্দ্ৰলৈ গৈ এঠাইতে বহি যাব লাগে। নহয়, চলোঁতে-ফুৰোঁতে যিখিনি সময় পোৱা পিতাক স্মৰণ কৰি থাকিব লাগে। হাতেৰে কাম কৰা, অন্তৰ অৰ্থাৎ বুদ্ধিৰ যোগসূত্ৰ পিতাৰ সৈতে থাকিব লাগে। পিতাৰ স্মৃতিৰে তোমালোকৰ বহুত কল্যাণ হ'ব। 21 জন্মৰ বাবে তোমালোক ধনৱান হৈ যোৱা। বেহদৰ পিতাই বেহদৰ উত্তৰাধিকাৰ দিয়ে। ভাৰত স্বৰ্গ আছিল। এতিয়া নৰক।

পিতাই কয় – এতিয়া মোক স্মৰণ কৰা তেতিয়া তোমালোক আত্মা সতোপ্ৰধান হৈ যাবা। পিতাক স্মৰণ কৰিলে নিচা বাঢ়িব। আমাৰ নিচিনা ধনৱান সৃষ্টিত কোনো নাই। পিতাই যদি স্মৃতিত নাথাকে তেন্তে ধন ক'ৰপৰা আহিব। স্বৰ্গততো তোমালোক সন্তানসকলে অপাৰ সুখ পোৱা। শাস্ত্ৰততো কিমান মুখৰোচক কথা লিখি দিছে। গায়নো কৰে – ৰাম ৰজা, ৰাম প্ৰজা... ধৰ্মৰ উপকাৰ আছে। পুনৰ কয় – ৰামৰ সীতাক হৰণ কৰিলে, বান্দৰৰ সেনা ল'লে... আগতে নিজেও পঢ়িছিলা, একোৱে বুজি পোৱা নাছিলা। এতিয়া কিমান ভালকৈ বুজি পোৱা যায়। কিমান আচৰিত কথা লিখিছে। পিতাই কয় – মই প্ৰকৃতিৰ আধাৰ ল'বলগীয়া হয়। ত্ৰিমূৰ্তিৰ চিত্ৰতো ব্ৰহ্মা, বিষ্ণু, শংকৰক দেখুৱায়। কিন্তু এয়াও বুজি নাপায় যে বিষ্ণু কোন। ক'ৰ নিবাসী। বিষ্ণুৰ মন্দিৰক নৰ-নাৰায়ণৰ মন্দিৰ বুলি কয়। কিন্তু অৰ্থ একোৱে বুজি নাপায়। বিষ্ণুৰ এয়া দুটা ৰূপ লক্ষ্মী-নাৰায়ণ, যিয়ে সত্যযুগত ৰাজত্ব কৰিছিল। এতিয়া তোমালোক মনুষ্যৰ পৰা দেৱতা হৈ আছা। যিয়েই আহে তেওঁলোকক কোৱা – এয়া (আমি) ব্ৰহ্মাকুমাৰ-কুমাৰী। গতিকে প্ৰজাপিতা ব্ৰহ্মা সকলোৰে পিতা হ'ল। অনেক প্ৰজা আছে। নামতো শুনিছা নহয়। ভগৱানে ব্ৰহ্মাৰ দ্বাৰা ব্ৰাহ্মণ ৰচিলে। পিতাই নিশ্চয় সন্তানসকলক উত্তৰাধিকাৰতো দিয়ে নহয়। তোমালোক সন্তানসকলক বিশ্বৰ মালিক কৰি তোলে। তোমালোকে শিৱবাবাৰ পৰা উত্তৰাধিকাৰ পোৱা। এজন হ'ল লৌকিক পিতা, আনজন পাৰলৌকিক পিতা। এতিয়া এইজন (ব্ৰহ্মা) তোমালোকে অলৌকিক পিতা পাইছা, এওঁতো হীৰা বেপাৰী আছিল। এওঁ জানো কিবা জানিছিল। এওঁৰ ক্ষেত্ৰত কয় যে এওঁৰ বহুত জন্মৰ অন্তিম জন্মৰো অন্তত এওঁৰ শৰীৰত প্ৰৱেশ কৰোঁ। বানপ্ৰস্থী হোৱাৰ নিয়মো ভাৰতত আছে। 60 বছৰ পাছত গুৰুৰ ওচৰলৈ গুচি যায়। পিতাই এওঁৰ শৰীৰত প্ৰৱেশ কৰি কয় – এতিয়া তোমালোক ঘৰলৈ যাব লাগে। মুক্তি সকলোৱে বিচাৰে কিন্তু মুক্তিক কোনেও নাজানে। ব্ৰহ্মত লীনতো কোনেও হ'ব নোৱাৰে। এয়াতো সৃষ্টিৰ চক্ৰ ঘূৰিয়ে থাকে, সকলোৱে ভূমিকা পালন কৰিবই লাগে। কোৱা হয় – বিশ্বৰ বুৰঞ্জী-ভূগোলৰ পুনৰাবৃত্তি। এয়া অনাদি ড্ৰামা ৰচি থোৱা আছে। 84 জন্মৰ ভূমিকা তোমালোকে পালন কৰিবই লাগে। এয়া জ্ঞানৰ নৃত্য। সেই লোকসকলে আকৌ ডম্বৰু দেখুৱায়। এতিয়া সূক্ষ্মলোকবাসী শংকৰে ডম্বৰু কেনেকৈ বজাব।

পিতাই বুজাইছে – তোমালোক বান্দৰৰ নিচিনা আছিলা। সেয়েহে তোমালোকে বান্দৰৰ সেনা ল'লা। তোমালোকৰ আগত বাবাই জ্ঞানৰ ডম্বৰু বজাই আছে। তোমালোকক জ্ঞান দিয়ে । এতিয়া তোমালোকৰ চেহেৰা আৰু চৰিত্ৰ দুয়োটা পৰিৱৰ্তন কৰি আছে। কাম-চিতাত বহি তোমালোক ক'লা (অপৱিত্ৰ) হৈ গৈছা। বাবাই পুনৰ তোমালোকক জ্ঞান-চিতাত বহুৱাই চেহেৰা আৰু চৰিত্ৰ দুয়োটা পৰিৱৰ্তন কৰি ক'লাৰ পৰা বগা (পৱিত্ৰ) কৰি দিয়ে। ইয়াত বাবাই কিমান নিচা বঢ়ায়, আকৌ নিচা কিয় নোহোৱা হৈ যাব লাগে। ভালবাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ

আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পিতাই যি সীমাহীন জ্ঞান ধন দিছে, সেয়া ধাৰণ কৰি নিজেও ধনৱান হ'ব লাগে আৰু সকলোকে দানো কৰিব লাগে। যিয়েই আহে তেওঁৰ জোলোঙা ভৰপূৰ কৰি দিব লাগে।

(2) পিতাৰ স্মৃতিৰেহে কল্যাণ হ'ব, সেইবাবে যিমান সম্ভৱ চলোঁতে-ফুৰোঁতে পিতাৰ স্মৃতিত থাকিব লাগে। সকলো সম্বন্ধৰ ৰস এজন পিতাৰ পৰা ল'ব লাগে।

বৰদান:

সদায় ব্যস্ত হৈ থকাৰ বিধিৰ দ্বাৰা ব্যৰ্থ সংকল্পৰ অভিযোগ সমাপ্ত কৰোঁতা সম্পূৰ্ণ কৰ্মাতীত হোৱা

সম্পূৰ্ণ কৰ্মাতীত হোৱাত ব্যৰ্থ সংকল্পৰ ধুমুহাই বিঘিনি আনে। এই ব্যৰ্থ সংকল্পৰ অভিযোগ সমাপ্ত কৰিবৰ বাবে নিজৰ মনক সকলো সময়তে ব্যস্ত কৰি ৰাখা, সময়ক আগতীয়াকৈ সংৰক্ষণ কৰাৰ পদ্ধতি শিকা। গোটেই দিনটোত মনক ক'ত ক'ত ব্যস্ত কৰি ৰাখিব লাগে - ইয়াৰ কাৰ্যসূচী প্ৰস্তুত কৰা। নিতৌ নিজৰ মনক 4 টা কথাত ব্যস্ত কৰি দিয়া – (1) মিলন (আন্তৰিক বাৰ্তালাপ), (2) বৰ্ণন (সেৱা), (3) মগন আৰু (4) গভীৰ স্নেহ। ইয়াৰ দ্বাৰা সময় সফল হৈ যাব আৰু ব্যৰ্থৰ অভিযোগ সমাপ্ত হৈ যাব।

শ্লোগান: সফলতাক পৰমাত্ম জন্মসিদ্ধ অধিকাৰ বুলি বুজোঁতাজনেই সদায় প্ৰসন্নচিত হৈ থাকিব পাৰে।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: সদায় হৰ্ষিত হৈ থাকিবলৈ নিজৰ স্বভাৱ সৰল কৰি তোলা, সহনশীল হোৱা

সৰলতা আনিবলৈ কেৱল এটা কথা নিশ্চয়কৈ ধ্যানত ৰাখিব লাগে। নিজৰ স্থিতি যাতে স্তুতিৰ (প্ৰশংসাৰ) আধাৰত নহয়। বহুত সন্তানে কৰ্তব্যৰ ফলৰ ইচ্ছা বেছিকৈ ৰাখে, সেইবাবে যেতিয়া স্তুতি নহয়, তেতিয়া স্থিতি বিচলিত হৈ যায়। নিন্দা হ'লে অনাথ হৈ যায়। নিজৰ স্থিতি এৰি নাথকো (প্ৰভুকো) পাহৰি যায়, সেইবাবে নিজৰ স্থিতি স্তুতিৰ আধাৰত কৰি তুলিব নালাগে।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]